# *ৱান ফ্লিউ অভা দা কুকুজ নেষ্ট* আৰু কেন কেছিৰ শ্ৰম, কৌশল আৰু বিষয়গত প্ৰতিভা

**নিশা দেৱী**
বিষয় শিক্ষক, ইংৰাজী বিভাগ
অসম জাতীয় বিদ্যালয়, গুৱাহাটী
nishachiring@gmail.com

**সাৰাংশ**

The article is about Ken Kesey's masterpiece *One Flew over the Cuckoo's Nest*. The book was written in 1959 and published in 1962. The article throws light on Ken Kesey's way of thinking regarding the way psychology and psychiatry were being approached in America at that time. The article analyses the story of the novel as a study of institutional processes and the human mind as well as the fine line between sanity and insanity. The article highlights Ken Kesey's hard work behind the writing of the novel. Ken Kesey worked in the night shifts as an orderly at a mental hospital facility in Menlo Park, California. There, he used to speak to the patients regularly and also witnessed the workings of the institution. Kesey also voluntarily took psychoactive drugs to understand the after-effects of various drugs administered to mental patients. The article also studies the characters of the novel as symbols. Nurse Ratched symbolises oppression and social control with Randle McMurphy as her foil. McMurphy is no angel but he helps the institutional inmates to gain a broader understanding of both their own psyche and of the way society has essentially made them insane.

**বীজশব্দ**

Ken Kesey, *One Flew over the Cuckoo's Nest*, human psychology, institutional processes, mental health

"ৰান ফ্লিউ ইষ্ট/ ৰান ফ্লিউ ৱেষ্ট/ ৰান ফ্লিউ অভা দা কুকুজ নেষ্ট" - চিফ ব্ৰমদেনে শৈশৱতে আইতাকৰ মুখত শুনা এটি গানৰ কিয়ংদশৰ পৰা বাছি লোৱা হৈছে কেন কেছি'ৰ (Ken Kesey) উপন্যাস *ৰান ফ্লিউ অভা দা কুকুজ নেষ্ট*ৰ (*One Flew over the Cuckoo's Nest*) শিৰোনাম। গানটোৰ কথাখিনি এনেকুৱা ধৰণৰ: মাছমৰীয়া তিৰোতাজনীয়ে হাঁহ তিনিজনী আনি গঁৰালত থৈছে। গঁৰালৰ পৰা সিহঁত পলাই যাব পাৰিব বুলি তাই সপোনটো ভবা নাই। সেইটো কাহানিও সম্ভৱ হোৱা নাই। পিছে নোহোৱা-নোপজা কথা এটি সম্ভৱ কৰি হাঁহকেইজনীৰ এজনী পূৱেৰে, এজনী পশ্চিমেৰে আৰু এজনী কুলি চৰাইৰ বাহৰ ওপৰেদি উৰি গুচি গ'ল। কুলি চৰাইৰ বাহৰ ওপৰেদি উৰি যোৱা কথাটিও ভাবিবলগীয়া। কুলি চৰাইৰ নিজৰ বাহ নাথাকে। ইহঁতে কাউৰীৰ বাহত কণী পাৰে আৰু বাহত থকা কাউৰীৰ পোৱালিবোৰক খুঁটিয়াই খুঁটিয়াই তললৈ পেলাই দিয়ে। কাচিৎহে তাৰে কোনোবা এটা কাউৰী পোৱালি উৰি গৈ, কুলি চৰাইৰ পৰা হাত সাৰিবলৈ সক্ষম হয়। মাছমৰীয়া তিৰোতাজনীৰ গঁৰালৰ পৰা উৰি যাবলৈ সক্ষম হোৱা, কুলি চৰাইৰ আক্ৰমণৰ পৰা হাত সাৰি পলাই যোৱা সেই অদ্ভুত, সাহসী চৰাইজনীৰ কথাই কেন কেছিয়ে এই উপন্যাসখনত লিখিছে।

১৯৫৯ চনত কেন কেছিয়ে এই উপন্যাসখন লিখিবলৈ আৰম্ভ কৰিছিল। ১৯৬২ চনত প্ৰকাশ পোৱাৰ পিছত সেই সময়ত বহুকেইখন দেশত কিতাপখন নিষিদ্ধ কৰা হৈছিল। বহুতেই ধাৰণা কৰিব পাৰিছিল যে এই উপন্যাসখনে মানসিক চিকিৎসালয় সমূহ আৰু তাৰ কাম-কাজৰ ওপৰত থকা মানুহৰ বিশ্বাসৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাব। বাস্তৱত সেয়াই হৈছিল। মানসিকভাৱে সুস্থ আৰু অসুস্থৰ মাজত ব্যৱধান যে বহুত সময়ত কেৱল এডাল চুলিৰ সমান - এই কথা আমেৰিকান লিখক কেন কেছিয়ে উপন্যাসখনত সুন্দৰকৈ প্ৰমাণ কৰি দিছিল। কেছিৰ চিন্তাগধুৰ উপন্যাসখনে বহুতো স্পৰ্শকাতৰ প্ৰশ্ন উত্থাপন কৰিছে। মানসিক অসুস্থতাৰ গুৰি আচলতে ক'ত? অনুভৱত, চিন্তাধাৰাত, দৃষ্টিভংগীত নে আচাৰ-ব্যৱহাৰত? অসুস্থৰ দৃষ্টিত সুস্থবোৰহে আচলতে অসুস্থ নেকি? নে সুস্থবোৰৰ দৃষ্টিত অসুস্থবোৰ চিৰদিনেই অসুস্থ? চিকিৎসালয় এখনত মানসিকভাৱে অসুস্থ বুলি ভবা মানুহজনক সুস্থ কৰিবলৈ ৰখা হয়। পিছে চিকিৎসাৰ বিভিন্ন পৰ্যায়ত সেই মানুহজনৰ চিন্তাধাৰা, দৃষ্টিভংগী আৰু হৃদয়ৰ নিসংগতাবোধক বাৰে বাৰে ভেঙুচালি কৰা হয় নেকি? কেছিৰ নিৰ্মোহ পৰ্য্যবেক্ষণে এই উপন্যাসখনত কঠোৰভাৱে সমালোচনা কৰিছে সেই সময়ৰ মানসিক চিকিৎসালয় সমূহৰ বিভিন্ন

প্ৰক্ৰিয়া আৰু বিজ্ঞানসন্মত বুলি ভবা অদৰকাৰী আৰু বিপদজনক পৰীক্ষা-নিৰীক্ষা।

উপন্যাসখনত কেছিৰ ভাষা-নিৰ্বাচন আৰু শব্দ-চয়ন অতুলনীয়। ই সৰল আৰু কাব্যিক নহয়। বৰঞ্চ গধুৰ আৰু প্ৰতীকি। বহুসংখ্যক পাঠকৰ মতে এই উপন্যাসখন বুজিবলৈ অতিশয় কঠিন। কিতাপখনৰ কাহিনী, বিষয়বস্তু আৰু চৰিত্ৰবোৰৰ দৰেই, ভাষাও সুপৰিকল্পিত আৰু সেইবাবেই কঠিন আৰু নিৰাৱেগ। উপন্যাসখনৰ বিষয়বস্তু সন্দৰ্ভত বিভিন্ন সাহিত্য-উপাসক, সমালোচকে বিভিন্ন মতামত আগবঢ়াইছে। মানসিক সুস্থতা আৰু অসুস্থতা, নাৰীৰ শীতল দমন-নীতি আৰু পুৰুষৰ ওপৰত ইয়াৰ প্ৰভাৱ আৰু ব্যক্তি বিশেষৰ আত্ম-সন্মানবোধ আৰু মনস্তত্ত্বৰ ওপৰত এটি প্ৰক্ৰিয়াৰ প্ৰভাৱ ইত্যাদি। কেছিৰ এই উপন্যাসখনে প্ৰধানত বিশ্লেষণ কৰিছে কেনেকৈ কেতিয়াবা ব্যক্তি বিশেষ নহৈ, সমাজ এখনেই বা প্ৰক্ৰিয়া এটাই মানসিকভাৱে অসুস্থ হৈ পৰে আৰু চিন্তাশীল মানুহখিনিক এনেকুৱা প্ৰক্ৰিয়া এটাই কেনেকৈ মানসিকভাৱে অসুস্থ সজায়। উপন্যাসখনৰ আটাইতকৈ সুন্দৰ দিশটো হ'ল ইয়াত সন্নিবিষ্ট হৈ থকা কেছিৰ নিজৰ অভিজ্ঞতা। ষ্টেনফোৰ্ড বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থী হৈ থকা সময়ছোৱাত কেছিয়ে মনোবিজ্ঞানৰ শিক্ষাৰ্থী ৰিক মভেলক লগ পাইছিল। ৰিক মভেলে কেছিক "ভেটেৰান্‌চ হস্পিটাল ইন মেনল' পাৰ্ক'ৰ কাম-কাজ, পৰীক্ষা-নিৰীক্ষা আৰু তাত ব্যৱহৃত দৰৱসমূহৰ বিষয়ে ভাঙি-পাতি কৈছিল। কেছিয়ে মেনল' পাৰ্কত নিশাৰ সহায়কাৰী হিচাপে কাম আৰম্ভ কৰিছিল আৰু বহু সময়ত বহুত পৰীক্ষা-নিৰীক্ষাতো নিজেই আগবাঢ়ি 'গিনিপিগ'ৰ ভূমিকা লৈছিল। হস্পিতালত থকা আবাসীসমূহৰ লগত কেছিয়ে প্ৰায়েই কথা পাতিছিল। এই সঘন কথোপকথনে কেছিৰ মনত বহুতো নতুন চিন্তাৰ উদ্ৰেক ঘটাইছিল। উপন্যাসখনৰ ৰেণ্ডেল পেট্ৰিক মেকমাৰ্ফিৰ দৰে বিশ্বাস কৰিছিল যে এই মানুহখিনি আচলতে মানসিকভাৱে অসুস্থ নহয় বৰঞ্চ সমাজৰ বিভিন্ন নীতি-নিয়মৰ দ্বাৰা অৱদমিত; এওঁলোকৰ অসুস্থতা এখন সমাজে জাপি দিয়া অসুস্থতা।

দ্বিতীয় বিশ্বযুদ্ধৰ পিছত আমেৰিকাৰ মনস্তত্ত্ব-সম্বন্ধীয় চিকিৎসালয় সমূহে মানসিক ৰোগৰ চিকিৎসা পদ্ধতি হিচাপে 'institutionalisation'ত জোৰ দিছিল। সৰল অৰ্থত একাধিক মানসিক ৰোগীক একলগে ৰাখি একে পদ্ধতিৰে চিকিৎসা কৰা। সেই সময়ত মানসিকভাৱে অসুস্থ বুলি ভবা মানুহৰ সংখ্যাও হঠাতে প্ৰচুৰ পৰিমাণে বৃদ্ধি পাইছিল। এই মানুহখিনিৰ ওপৰত বিভিন্ন পৰীক্ষা-নিৰীক্ষা হৈছিল। নতুন নতুন বিভিন্ন দৰৱে কেনেকৈ মানুহৰ মানসিকতাত প্ৰভাৱ পেলায় - এই সম্পৰ্কে জানিবলৈ

গিনিপিগ হিচাপে লোৱা এই মানুহখিনিৰ ওপৰত বিভিন্ন দৰৱ প্ৰয়োগ হৈছিল। এবছৰ মেনল' পাৰ্কৰ মানসিক ৰোগৰ চিকিৎসালয়ত কাম কৰা কেছিয়ে নিজেই বিভিন্ন সময়ত সেই দৰৱবোৰ সেৱন কৰিছিল। পিছলৈ psychedelic movementৰ বাটকটীয়া হিচাপেও কেছিয়ে বিভিন্ন সময়ত বিভিন্ন শক্তিশালী দৰৱ সেৱন কৰিছিল। কেছিয়ে অনুভৱ কৰিছিল যে এই দৰৱসমূহে মানুহৰ মগজুত একধৰণৰ ছায়াময় পৰিবেশ (mental fog) এটাৰ সৃষ্টি কৰে আৰু বহুত ৰোগীয়ে পিছলৈ এই আবেশৰ পৰা নিজেই ওলাই আহিব নিবিচাৰে বা ওলাই আহিবলৈ অপাৰগ হয়। এই ৰোগীসকলক সহজতে মানসিকভাৱে দমন কৰি ৰাখে চিকিৎসালয়ৰ বিভিন্ন কৰ্মকৰ্তাসকলে। ৰোগীসকলৰ দুৰ্বল অংশত আঘাত কৰি সিহঁতক দমন কৰি ৰখাটো এটা পদ্ধতিত পৰিণত হয়। সুস্থ হৈ চিকিৎসালয়ৰ পৰা ওলাই যোৱাটো আৰু কাৰো উদ্দেশ্য হৈ নাথাকে। একধৰণৰ ছায়ামগ্নতাৰ আবেশত থকা ৰোগীসকলে বাহিৰৰ পৃথিৱীখনক ভয় কৰা হয়।

কেন কেছিৰ উপন্যাসখনৰ অন্যতম চৰিত্ৰ চিফ ব্ৰমদেনে কাহিনীটো বৰ্ণনা কৰিছে আৰু উপন্যাসখন আৰম্ভ হৈছে চিফ ব্ৰমদেনে হস্পিটেলৰ কোঠা এটা চাফা কৰি থকা অৱস্থাত। চিফ ব্ৰমদেন অৰেগ'ন চাইকাট্ৰিক হস্পিটেলৰ এজন ৰোগী। তেওঁ দহ বছৰ ধৰি এই হস্পিটেলখনত আছে। ব্ৰমদেনৰ বেমাৰ হৈছে আনৰ ওপৰত অবাস্তৱ অবিশ্বাস, ভ্ৰম আৰু কাল্পনিক শত্ৰুৰ পৰা অহৰহ ভয়। ব্ৰমদেনে কলা আৰু বোবা হোৱাৰ অভিনয় কৰি থাকে। ছয় ফুট সাত ইঞ্চি ওখ প্ৰকাণ্ড মানুহজনে অনবৰতে আশা কৰি থাকে কোনেও যেন তেওঁক নেদেখে বা গুৰুত্ব নিদিয়ে। তেওঁ যেন অনবৰতে অদৃশ্য হৈ থাকে। হস্পিটেলখনত দুই ধৰণৰ মানসিক ৰোগী আছে। গোটেই খিনি ৰোগীয়ে পুৰুষ। একধৰণৰ মানসিক ৰোগীক নামকৰন কৰা হৈছে 'একিউট্‌চ' (acutes) বুলি। এই ৰোগীসমূহৰ ভাল হোৱাৰ আশা আছে। আন একধৰণৰ ৰোগীক কোৱা হৈছে 'ক্ৰনিক্‌চ' (chronics) বুলি। এইসকলৰ ভাল হোৱাৰ কোনো আশা নাই। এইসকল ৰোগীক ব্ৰমদেনে 'পাচলি' বোৰৰ লগত ৰিজাইছে। এই সকলোবোৰ ৰোগীৰ শুদ্ধিকৰণৰ দায়িত্বত আছে নাৰ্চ ৰেটচেদ। এসময়ত সৈন্য বিভাগত নাৰ্চৰ কাম কৰা ৰেটচেদৰ কাম-কাজ আৰু নীতি-নিয়মবোৰ কঠোৰ আৰু যান্ত্ৰিক। অনুভৱ আৰু অনুকম্পাৰ ক্ষেত্ৰত তেওঁ বৰফৰ দৰে শীতল। খমখমীয়া বগা ইউনিফৰ্ম এযোৰেৰে তেওঁ নিজকে সযতনেৰে আৱৰি ৰাখে। আৱৰণৰ ভিতৰৰ আচল নাৰীগৰাকীক বুজি পোৱাৰ সাধ্য কাৰো নাই। দৈনিক সমূহীয়া আলোচনা-

চক্ৰত নাৰ্চ ৰেটচেদে ‘একিউট্চ’ বিলাকৰ ৰোগী সমূহক ইটো-সিটোৰ দুৰ্বল অংশত আঘাত কৰিবলৈ কৌশলেৰে উচটায়। অতীতৰ কোনো লাজ লগা ঘটনাক টানি আনি, সমজুৰাকৈ আলোচনা কৰি ৰেটচেদে যিকোনো ৰোগীৰ ৰং চাই। কোনো ৰোগীয়ে নিয়ম নামানিলে বা বিদ্ৰোহ আৰম্ভ কৰিলে নাৰ্চ ৰেটচেদৰ আদেশত সেই ৰোগীক শাস্তি হিচাপে ‘ইলেক্ট্ৰ শ্ব’ক ট্ৰিটমেণ্ট’ দিয়া হয়। পৰিস্থিতি সাংঘাটিক হৈ গ’লে কেতিয়াবা আনকি লেব’ট’মী (lobotomy) পৰ্যন্ত কৰায়। যদিও দুয়োটা পৰীক্ষাই ইতিমধ্যে চিকিৎসা-বিজ্ঞানত বিফল আৰু বিপদজনক বুলি প্ৰমাণিত হৈছে।

নাৰ্চ ৰেটচেদৰ এই গঁৰাললৈ পেন্দেলটন ৱৰ্ক ফাৰ্মৰ পৰা পঠিয়াই দিয়া হৈছে ৰঙাচুলিয়া, জুৱাৰী, অস্থিৰ, টাটু ভৰ্তি শৰীৰৰ অধিকাৰী ৰেন্দেল পেট্ৰিক মেকমাৰ্ফিক। মেকমাৰ্ফিৰ মতে, ব্যৱহাৰজনিত সমস্যাৰ অজুহাত লৈ, সশ্ৰম কাৰাবাসৰ পৰা বাচিবলৈ মেকমাৰ্ফিয়ে পাগলামিৰ অভিনয় কৰি এই হস্পিটেললৈ আৰামত দিন কটাব আহিছে। চিফ ব্ৰমদেনে ভয়ে ভয়ে অনুভৱ কৰে মেকমাৰ্ফিকৰ মাজত বিদ্ৰোহৰ স্ফুলিংগ এটি আছে। ‘একিউট্চ’ আৰু ‘ক্ৰনিক্চ’ বোৰৰ সুকীয়া কোঠাত হৈ-হাল্লা কৰি, অস্থিৰভাবে ঘূৰি ফুৰা মেকমাৰ্ফিয়ে কয় মানুহ বাগৰি ফুৰা শিলৰ দৰে হ’ব লাগে যাতে শেলুৱৈ নগজে। মেকমাৰ্ফিৰ কথাখিনিৰ অৰ্থ আছিল স্থবিৰতা আৰু পৰিবৰ্তনহীনতাই মানুহৰ সাহস, সৃষ্টিশীলতা আৰু চিন্তাক দুৰ্বল কৰি তোলে। মেকমাৰ্ফিৰ কথা-বতৰা আৰু ব্যক্তিত্বই বহুত দিনৰ মূৰত ব্ৰমদেনৰ মাজত এটি বেলেগ অনুভৱ জগায়। প্ৰথমটো সমূহীয়া আলোচনা-চক্ৰৰ অভিজ্ঞতাৰ পিছত মেকমাৰ্ফিয়ে আবাসীসকলক কয় যে নাৰ্চ ৰেটচেদ এগৰাকী ধুৰন্ধৰ, কুটিল, নিষ্ঠুৰ মহিলা। আন ৰোগী সমূহে মেকমাৰ্ফিক সকীয়াই দিয়ে যে নাৰ্চ ৰেটচেদৰ পৰা দূৰত থকাই মঙ্গল; হস্পিতালত থকা সকলোৱেই নাৰ্চ ৰেটচেদৰ কথা শুনিবলৈ বাধ্য। নাৰ্চ ৰেটচেদক অৱমাননা কৰাৰ সাহস কাৰো নাই। আনকি হস্পিতালৰ চিকিৎসক জনৰো নাই। মেকমাৰ্ফিয়ে সকলো ৰোগীৰ লগত বাজী লগাই যে এসপ্তাহৰ ভিতৰত তেওঁ নাৰ্চ ৰেটচেদক পাগলৰ দৰে চিঞৰিবলৈ বাধ্য কৰি দিব। বাকী ৰোগী সকলে দৃঢ়তাৰে ক’লে যে মেকমাৰ্ফি বাজীত হাৰিবই। নাৰ্চ ৰেটচেদৰ শীতলতা কোনেও ভাঙিব নোৱাৰে।

প্ৰথমতে নাৰ্চ ৰেটচেদ আৰু মেকমাৰ্ফিৰ মাজৰ কাজিয়াবোৰ বাকীবোৰৰ কাৰণে কেৱল মনোৰঞ্জন আছিল। কিন্তু পিছলৈ মেকমাৰ্ফিৰ বিদ্ৰোহে আন খিনিকো চুলেগৈ। ‘ৱৰ্ল্ড চিৰিজ’ আৰম্ভ হোৱাৰ আগমুহূৰ্তত মেকমাৰ্ফিয়ে নাৰ্চ ৰেটচেদৰ পৰা ‘ৱৰ্ল্ড চিৰিজ’ চাবলৈ অনুমতি বিচাৰিলে।

যিসময়ত অনুষ্ঠানটো চলি থাকে, সেই সময়ত ৱাৰ্ডৰ আবাসী সকলে চাফাই কাম কৰাৰ পৰ্ব আৰম্ভ হয়। গতিকে নাৰ্চ ৰেটচেদে টিভি চোৱাৰ অনুমতি নিদিলে। বন্ধ টিভিৰ উদং স্ক্ৰীণখন আগত লৈ মেকমাৰ্ফি বহি থাকিল। এজন এজনকৈ বাকীবোৰ আবাসী আহি মেকমাৰ্ফিৰ লগত বহিল আৰু সমূহীয়া বিদ্ৰোহ ঘোষণা কৰিলে। নাৰ্চ ৰেটচেদৰ ধৈৰ্য্যৰ বান্ধ ছিগি গ'ল আৰু তেওঁ চিঞৰিবলৈ ধৰিলে। ব্ৰমদেনে লক্ষ্য কৰিলে যে সেই সময়ত বাহিৰৰ মানুহ এজনে আবাসীখিনিৰ লগতে নাৰ্চ ৰেটচেদকো মানসিক বিকাৰগ্ৰস্ত বুলিয়েই ভাবিব।

এনেকুৱা সৰু-ডাঙৰ বিজয়ৰ মালা পিন্ধি মেকমাৰ্ফি আত্মবিশ্বাসী হৈ উঠিল। ৱাৰ্ডৰ বাকীবোৰ আবাসীয়ে আশা কৰিলে নাৰ্চ ৰেটচেদে মেকমাৰ্ফিৰ পৰা পৰিত্ৰাণ পাবলৈ তেওঁক বেলেগ ৱাৰ্ডলৈ স্থানান্তৰিত কৰিব। আবাসীসকলৰ চিন্তাৰ সূতাডালৰ পাক খুব সহজেই বুজিব পৰা নাৰ্চ ৰেটচেদে পিছে এই কাম নকৰিলে। তেওঁ মনে মনে চিন্তা কৰি থাকিল কেতিয়া তেওঁ আবাসীসকলৰ আগত এই কথা প্ৰমাণ কৰিব পাৰিব যে মেকমাৰ্ফিও বাকীবোৰৰ দৰেই এজন কাপুৰুষ। মেকমাৰ্ফি বাকীবোৰৰ ৰোগীৰ কাৰণে এজন দলপতি হৈ উঠিল। ঠিক এইখিনি সময়তে ঘটনাক্ৰমে মেকমাৰ্ফিয়ে আৱিষ্কাৰ কৰিলে যে নিজ ইচ্ছামতে হস্পিতালত ভৰ্তি হোৱা ৰোগীসকলেহে নিজ ইচ্ছা অনুসৰি তাৰ পৰা ওলাই যাব পাৰে। বাকীবোৰ ৰোগী এই ক্ষেত্ৰত ৱাৰ্ডৰ কৰ্মকৰ্তাসকলৰ অনুগ্ৰহৰ পাত্ৰ। মেকমাৰ্ফিয়ে ভয় খালে। তেওঁ অনুভৱ কৰিলে হস্পিতালৰ পৰা ওলাই যাবলৈ তেওঁ নাৰ্চ ৰেটচেদৰ মন জয় কৰিবই লাগিব। তাৰ বাহিৰে বেলেগ উপায় নাই। মেকমাৰ্ফিয়ে বিদ্ৰোহ এৰি নাৰ্চ ৰেটচেদৰ যিকোনো কথা মানিবলৈ ধৰিলে। পিছে এইখিনি সময়লৈকে মেকমাৰ্ফি ইতিমধ্যে বাকীবোৰ ৰোগীৰ আদৰ্শ স্বৰূপ, বিদ্ৰোহৰ নায়ক হৈ উঠিছিল। তেওঁৰ নতুন ৰূপে আবাসীসকলক দিশহাৰা কৰিব ধৰিলে। নাৰ্চ ৰেটচেদৰ লগত লগা কাজিয়া এখনত মেকমাৰ্ফি যেতিয়া চিজৱিক নামৰ ৰোগীজনৰ লগত থিয় নহ'ল, হতাশাত ভুগি চিজৱিকে আত্মহত্যা কৰিলে। চিজৱিকৰ আত্মহত্যাই মেকমাৰ্ফিক অনুভৱ কৰালে আন ৰোগীসকলৰ সুখ, দুখ আৰু আত্মবিশ্বাসৰ দায়িত্ব এতিয়া তেওঁৰ কাণ্ড-কাৰখানাৰ ওপৰত নিৰ্ভৰ কৰিছে। ইলেক্ট্ৰ' শ্বক থেৰাপিৰ কঠিন সত্য নিজ চকুৰে দেখাৰ পিছত মেকমাৰ্ফিৰ ভয় লাগিব ধৰিলে। হস্পিতালৰ কৰ্মকৰ্তাসকলৰ ক্ষমতাক তেওঁ নুই কৰিব নোৱাৰা হ'ল। আন ৰোগীসকলৰ প্ৰতি থকা দায়িত্বৰ অনুভৱ আৰু তেওঁৰ নিজৰ জীৱনৰ প্ৰতি মায়া - এই দুইটা চিন্তাই মেকমাৰ্ফিক ক্ৰমান্বয়ে

মানসিকভাৱে দুৰ্বল কৰি পেলালে। পিছে অচিৰেই মেকমাৰ্ফিয়ে দহজন আবাসীক লগত লৈ মাছ মাৰিবলৈ যোৱাৰ সিদ্ধান্ত ল'লে। এই যাত্ৰাত মেকমাৰ্ফিয়ে সিহঁতক বাহিৰৰ পৃথিৱীখনৰ অৱহেলোক আওকাণ কৰিব শিকালে। মেকমাৰ্ফিৰ সহায় নোহোৱাকৈ যেতিয়া সিহঁতে নিজে নিজে ডাঙৰ ডাঙৰ মাছবোৰ ধৰিবলৈ আৰম্ভ কৰিলে, পুনৰ এবাৰ সিহঁতে নিজৰ সাহস, শক্তি আৰু পুৰুষত্বৰ উমান পালে। এই সময়তেই বিলি বিব্বিট নামৰ কোনোদিনে নাৰীৰ সংস্পৰ্শলৈ নহা এজন ৰোগীৰ কাৰণে মেকমাৰ্ফিয়ে তেওঁৰ নাৰী বন্ধু এজনীক ঠিক কৰিলে।

হস্পিতালৰ ভিতৰত মেকমাৰ্ফিয়ে পুনৰ বিদ্ৰোহৰ সূচনা কৰিলে। আন এজন ৰোগীক বচাবলৈ তেওঁ নাৰ্চ ৰেটচেদৰ সহায়কাৰী তিনিজন ৰোগীৰ লগত ঘুচিয়াঘুচিত লিপ্ত হ'ল। এইবাৰ তেওঁৰ এই কাৰ্য্যত চিফ ব্ৰমদেনে তেওঁক সহায় কৰিলে। নাৰ্চ ৰেটচেদৰ আদেশত চিফ ব্ৰমদেন আৰু মেকমাৰ্ফিক ইলেক্ট্ৰ' শ্বক থেৰাপি দিয়া হ'ল। পিছত মেকমাৰ্ফিয়ে দেখুৱালে ইলেক্ট্ৰ' শ্বক থেৰাপিয়ে তেওঁৰ একো কৰিব পৰা নাই। আবাসীসকলৰ মাজত তেওঁৰ জনপ্ৰিয়তা বৃদ্ধি পালে। কিন্তু ইলেক্ট্ৰ' শ্বক থেৰাপিয়ে ভাগি চূৰমাৰ কৰা মেকমাৰ্ফিৰ বিধ্বস্ত ৰূপটো নাৰ্চ ৰেটচেদে আবাসীসকলৰ আগত উদঙাই দিলে। আন ৰোগী সকলে মেকমাৰ্ফিক পলাই যাবলৈ জোৰ কৰিলে। পিছে সেইদিনটোতেই মেকমাৰ্ফিৰ নাৰী বন্ধুগৰাকীয়ে বিলি বিব্বিটক লগ কৰিবলৈ অহা কথা। মেকমাৰ্ফিয়ে বিলি বিব্বিটক হতাশ কৰিব নুখুজিলে। নিশাৰ সহায়কাৰীক ঘোচ দি মেকমাৰ্ফিয়ে তেওঁৰ নাৰীবন্ধুক হস্পিতালত সোমোৱায় আৰু ৱাৰ্ডত সেই নিশা সৰু-সুৰা এটি উৎসৱৰ আয়োজন হ'ল। বিলি বিব্বিটে মেকমাৰ্ফিৰ বান্ধৱীৰ লগত সময় কটাই থাকোতে, বাকীবোৰ আবাসীয়ে পহৰা দিলে আৰু মাৰিজুৱানা সেৱন কৰি সময় কটালে। এজন ৰোগীয়ে মেকমাৰ্ফিক পলাই যাবলৈ পুনৰ জোৰ দিলে কিন্তু শাৰীৰিকভাৱে দুৰ্বল হৈ পৰা মেকমাৰ্ফি সোনকালে টোপনিত ঢলি পৰিল।

পিছদিনা পুৱা বহু দেৰিলৈকে কোনো সাৰ নোপোৱাত, হস্পিতালৰ কৰ্মকৰ্তা সকলে ৱাৰ্ডত হোৱা আগনিশাৰ ঘটনাবোৰৰ বিষয়ে গম পালে। নাৰ্চ ৰেটচেদে বিলি বিব্বিটক তেওঁৰ নাৰী সংগৰ লগত কোঠাত শুই থকা অৱস্থাত ধৰা পেলালে। বিলি বিব্বিটক যেতিয়া নাৰ্চ ৰেটচেদে তেওঁৰ মাকক মাতি আনিব বুলি ভয় খুৱালে, লাজ-অপমানত ক'ব নোৱাৰা হৈ বিলিয়ে ওচৰতে পোৱা চোকা সৰঞ্জাম এটিৰে নিজৰ ডিঙি কাটি দিলে। নাৰ্চ ৰেটচেদে বিলিৰ মৃত্যুৰ বাবে দায়ী মেকমাৰ্ফিৰ চিন্তাহীন কাম-

কাজবোৰ বুলি চিঞৰিব ধৰিলে। খঙত একো নাই হৈ মেকমাৰ্ফিয়ে নাৰ্চ ৰেটচেদৰ কাপোৰ ফালি, তেওঁৰ ডিঙিত চেপা মাৰি ধৰিলে। প্ৰায় দহজন মানুহে টনা-আঁজোৰা কৰিহে মেকমাৰ্ফিক নাৰ্চ ৰেটচেদৰ পৰা আতঁৰাবলৈ সক্ষম হ'ল। নাৰ্চ ৰেটচেদৰ আদেশত এইবাৰ মেকমাৰ্ফিৰ লব'ট'মী কৰা হ'ল। তেওঁৰ মগজুৰ আগফালৰ অংশ এটি কাটি দিয়া হ'ল। মেকমাৰ্ফি ৱাৰ্ডলৈ ঘূৰি আহিল। পিছে এইবেলি তেওঁ, চিফ ব্ৰমদেনৰ ভাষাত এটি পাচলিহে মাথোন। চিন্তা কৰাৰ ক্ষমতা, ভালদৰে চলা-ফুৰাৰ ক্ষমতা তেওঁ হেৰুৱাই পেলাইছে। বহুদিনৰ চিকিৎসাৰ অন্তত নাৰ্চ ৰেটচেদেও পুনৰ হস্পিতালৰ দায়িত্ব গ্ৰহণ কৰিলে। ৰোগীসকলৰ আগত প্ৰায় বিবসনা হ'বলগীয়া হোৱা, মৃত্যুৰ দুৱাৰদলিৰ পৰা ঘূৰি অহা নাৰ্চ ৰেটচেদৰ কণ্ঠ আৰু কাম-কাজত আগৰ কৰ্তৃত্ব নাথাকিল। চিফ ব্ৰমদেনৰ দৰে, কোনোবা ৰোগী কাষলৈ আহিলেই তেওঁ উচপ খাই উঠা হ'ল। মেকমাৰ্ফিৰ সাহসেৰে সাহসী হৈ উঠা আবাসীসকলেও তেওঁৰ অস্তিত্বক আনায়াসে উলাই কৰিব পৰা হ'ল। এনে সময়তেই চিফ ব্ৰমদেনে এনিশা হস্পিতালৰ খিৰিকী ভাঙি, হস্পিতালৰ পৰা পলাই যায়। মেকমাৰ্ফিৰ সহায়ত নিজৰ ভিতৰৰ সাহস আৰু আত্মবিশ্বাসৰ উমান পোৱা ব্ৰমদেনে বাহিৰৰ পৃথিৱীখনৰ মুখামুখি হোৱাৰ সিদ্ধান্ত লয়। পিছে যোৱাৰ আগমুহূৰ্তত তেওঁ মেকমাৰ্ফিৰ হত্যা কৰে আৰু আহিবলগীয়া দিনবোৰত নাৰ্চ ৰেটচেদৰ হাতত পাবলগীয়া কষ্ট আৰু অপমানবোৰৰপৰা তেওঁক চিৰদিনৰ বাবে মুক্তি দি যায়।

কেন কেছিৰ উপন্যাস *ৱান ফ্লিউ অভা দা কুকুজ নেষ্ট*ৰ ৰেন্দেল পেট্ৰিক মেকমাৰ্ফিক ভাল বা বেয়াৰ সূত্ৰৰে বৰ্ণনা কৰিব নোৱাৰি। মেকমাৰ্ফি জুৱাৰী, মাৰ-পিটত অভ্যস্ত, আনকি তিৰোতা এজনীক বেয়া ব্যৱহাৰ কৰাৰ অভিযোগতো অভিযুক্ত (যদিওবা এই অভিযোগ সঁচা বুলি প্ৰমাণিত নহ'ল)। আমেৰিকান সৈন্য-বাহিনীত সফলতাৰে কৰ্ম প্ৰদৰ্শন কৰা মেকমাৰ্ফি কেৱল নিজৰ পৰম্পৰাবিৰোধী (non-conformist) স্বভাৱৰ কাৰণেই সৈন্য-বাহিনীৰ পৰা সন্মানহীনভাৱে ওলাই আহিবলগীয়া হৈছিল। মেকমাৰ্ফিৰ মাজৰ এই এটা বিদ্ৰোহৰ স্ফুলিংগই তেওঁক য'তে ত'তে বহুবাৰ বিপদত পেলাইছে। অৰেগ'ন চাইকাট্ৰিক হস্পিতালটো তেওঁ বিপদত পৰিছে কিন্তু এইবাৰ তেওঁৰ বিপদ আন বহুকেইজনৰ কাৰণে মুক্তিৰ পথ হৈ পৰিছে। মেকমাৰ্ফি পাগলামি (madness) আৰু মহানতা (greatness)ৰ এটি অদ্ভুত মিশ্ৰণ। কেন কেছিৰ এই অদ্ভুত নায়কৰ পৰাক্ৰমে হহুঁৱায়, কন্দুৱায় আৰু অভিভূত কৰে।

উপন্যাসখনৰ আন এটি চৰিত্ৰ নাৰ্চ ৰেটচেদ কেৱল মানসিকভাৱে অসুস্থ, যান্ত্ৰিক, শীতল এটি

প্ৰক্ৰিয়াৰেই প্ৰতীক নহয়, নাৰ্চ ৰেটচেদৰ মাজত প্ৰতিফলিত হৈছে নাৰীৰ স্বাৰ্থপৰ, কৌশলী দমন নীতি। উপন্যাসখনৰ বেছিভাগ চৰিত্ৰই নাৰীৰ এই কৌশলৰ আগত পৰাজয় স্বীকাৰ কৰাৰ অভিজ্ঞতাৰ কথা বাৰে বাৰে সুঁৱৰিছে। চিফ ব্ৰমদেনে মনত পেলাইছে কেনেকৈ গাঁওখনৰ মুখিয়াল ছয় ফুট সাত ইঞ্চি ওখ তেওঁৰ দেউতাক ঘৰত মাকৰ আগত এটা বাওনা হৈ পৰিছিল। বিলি বিব্বিটক মাকে উশাহ নোপোৱাকৈ মৰমেৰে আৱৰি ধৰি থাকিল; যাৰ ফলত তেওঁ কাহানিও মানসিকভাৱে স্বাধীন এজন যুৱকলৈ পৰিণত নহ'ল।

মোখনি মৰাৰ আগতে কিতাপখনৰ কাহিনীভাগক লৈ কিছুমান সমালোচকৰ মনত উদয় হোৱা এটি প্ৰশ্নৰ প্ৰতি দৃষ্টিপাত কৰা যাওক। কিতাপখনৰ কাহিনীভাগত ঘটা প্ৰতিটো ঘটনাই সঁচানে? নে কাহিনী বৰ্ণনা কৰোতাজনৰ কল্পনাহে মাথোঁ এয়া? কাহিনীটো বৰ্ণনা কৰিছে চিফ ব্ৰমদেনে। ব্ৰমদেনৰ বেমাৰটো হৈছে কাল্পনিক শত্ৰুৰ পৰা অহৰহ ভয় আৰু ভ্ৰম। এটা শব্দত চিজ'ফ্ৰেনিয়া। ব্ৰমদেনে প্ৰায় সকলো মানুহকে এখন কুঁৱলীৰ আৱৰণৰ মাজত দেখে। যাৰ অৰ্থ ব্ৰমদেনৰ চিন্তাশক্তি দুৰ্বল, কুঁৱলীময়। ব্ৰমদেনে বৰ্ণনা কৰা কাহিনী এটা কিমান দূৰ বিশ্বাসযোগ্য? সাহিত্যৰ জনপ্ৰিয় কৌশল 'এ টুইষ্ট ইন দা টেল' (a twist in the tale)ৰ অস্পষ্ট অথচ কৌশলী প্ৰয়োগে উপন্যাসখনক মনস্তাত্ত্বিক উপন্যাসৰ এটি বিশেষ স্তৰলৈ লৈ গৈছে। উপন্যাসখনৰ যিটো কাহিনী, যিকেইটা চৰিত্ৰই আমাৰ অন্তৰ জোকাৰি গৈছে, সেয়া যদি কেৱল ব্ৰমদেনৰ ভ্ৰম, আমাৰ কৰিবই লগা বা আছে কি? আপুনি কি কৰিব? উপন্যাসখন পঢ়ক আৰু নিজেই উপলব্ধি কৰক।